# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত উপ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগ সাজু। অহা ২০ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ সম্ভাৱনা।

২। ১৬ আগষ্টৰ পৰা আত্মনিৰ্ভৰশীল আঁচনিৰ জিলা পৰ্যায়ৰ সাক্ষাৎকাৰ। প্ৰথম পৰ্যায়ত ৩০ হাজাৰ যুৱক-যুৱতীক ২ লাখ টকাকৈ সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। আজিৰে পৰা ৰাজ্যজুৰি দ্বিতীয় পৰ্যায়ৰ অমৃত বৃক্ষ আন্দোলন কাৰ্যসূচী।

৪। কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ২৫০ৰো অধিকলৈ বৃদ্ধি। আজি পুৱাৰে পৰা পুনৰ উদ্ধাৰ আৰু সাহায্য অভিযান আৰম্ভ।

*আৰু*

৫। পেৰিচ অলিম্পিকত আজিৰে পৰা এথলেটিকছ্ প্ৰতিযোগিতা। পি ভি সিন্ধুসহ ৫ ভাৰতীয় শ্বাটলাৰৰ আজি নক-আউট মেচত অংশগ্ৰহণ।

oooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগ সাজু হৈছে। উপ নিৰ্বাচন হ'বলগীয়া ঢলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ খচৰা ভোটাৰ তালিকাও ইতিমধ্যে আয়োগে প্ৰকাশ কৰিছে। এই পাঁচোটা সমষ্টিৰে সদ্য প্ৰকাশিত খচৰা ভোটাৰ তালিকাৰ ক্ষেত্ৰত দাবী আৰু আপত্তি দাখিল কৰাৰ সময়সীমা অহা ১০ আগষ্টত উকলিব। এই সমষ্টিসমূহৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি নাইবা আন সংশোধনীৰ ক্ষেত্ৰত আৱেদন পত্ৰ অনলাইন মাধ্যমেৰে সংগ্ৰহ কৰিব পৰা যাব যদিও প্ৰ-পত্ৰ অনলাইন মাধ্যমেৰে দাখিল কৰিব নোৱাৰিব। আনহাতে দাবী আৰু আপত্তি নিষ্পত্তিকৰণ অহা ১৯ আগষ্টৰ ভিতৰত সম্পন্ন কৰা হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জানিবলৈ দিয়া মতে, সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত ৰাজ্যত লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল যদিও এই পাঁচটা সমষ্টিৰ উপ নিৰ্বাচন পূৰ্বে বাহাল থকা বিধানসভা সমষ্টিসমূহতে অনুষ্ঠিত হ'ব। আয়োগৰ তথ্য অনুসৰি ইয়াৰে ৩২ নং বঙাইগাঁও বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১ লাখ ৮২ হাজাৰ ৩৫৪ হোৱাৰ বিপৰীতে সমষ্টিটোত ২৪৬টা ভোট কেন্দ্ৰ আছে। একেদৰে ৮৮ নং চামগুৰি বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ১ লাখ ৮০ হাজাৰ ৪৪৮ হোৱাৰ বিপৰীতে সমষ্টিটোত ১৯৭টা ভোটকেন্দ্ৰ আছে। ইপিনে, ১১ নং ঢলাই সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১ লাখ ৯৬ হাজাৰ ৭৭২। এই সমষ্টিটোৰ মুঠ ভোট কেন্দ্ৰৰ সংখ্যা ২০৮টা। ৭৭ নং বিহালী সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ১ লাখ ৩৩ হাজাৰ ৩০০ হোৱাৰ বিপৰীতে সমষ্টিটোত মুঠ ১৫৪টা ভোটকেন্দ্ৰ আছে। আনহাতে ৩১ নং চিদলী সমষ্টিৰ খচৰা ভোটাৰ তালিকা অনুসৰি মুঠ ভোটাৰৰ সংখ্যা ২ লাখ ১২ হাজাৰ ৫৫৫ হোৱাৰ লগতে সমষ্টিটোত মুঠ ভোট কেন্দ্ৰ আছে ২৭৩। উল্লেখযোগ্য যে, এই সমষ্টিসমূহৰ চূড়ান্ত ভোটাৰ তালিকা ২০ আগষ্টত প্ৰকাশ পাব।

oooooo

ৰাজ্যত সেউজ আৱৰণ বৃদ্ধি আৰু বৃক্ষ অৰ্থনীতিৰ বিকাশৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হৈছে। এই কাৰ্যসূচীৰ অধীনত অহা ২০ আগষ্ট পৰ্যন্ত ৰাজ্যজুৰি ৩ কোটি গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। কালি গুৱাহাটীস্থিত অসম লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকৰ অন্তত আয়োজন কৰা সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এই তথ্য সদৰী কৰে। কেবিনেট হোৱা সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকক অৱগত কৰি তেওঁ কয় যে, অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত পূৰ্বতে কিছু আসোঁৱাহ দেখিবলৈ পোৱা গৈছিল  যদিও এইবাৰ সেইসমূহ দূৰ কৰি ৰেচন কাৰ্ড আৰু আধাৰ কাৰ্ড থকা প্ৰায় ৪৭ লাখ হিতাধিকাৰীক সামৰি লোৱা হ'ব। ইপিনে, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্তসকলৰ বিশেষ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ অৱগত কৰে। তেওঁ লগতে কয় যে, শীঘ্ৰেই বিশেষ বাছনি প্ৰক্ৰিয়াৰ মাজেৰে আত্মনিৰ্ভৰ আঁচনিৰ অধীনত ৰাজ্যৰ ৩০ হাজাৰ নিৰনুৱাক ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিবলৈ ২ লাখ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে ১ লাখ নিবনুৱাক অৰ্থ সাহায্যৰ প্ৰদানৰ লক্ষ্য লৈছে যদিও প্ৰথম পৰ্যায়ত ৩০ হাজাৰ যুৱক-যুৱতীয়েহে এই সুবিধা লাভ কৰিব। দ্বিতীয় পৰ্যায়ত আৰু ৭০ হাজাৰ নিবনুৱাক আঁচনিখনৰ অধীনত সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, প্ৰথম পৰ্যায়ৰ বাবে জিলাভিত্তিক সাক্ষাৎকাৰ অহা ১৬ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ছেপ্তেম্বৰৰ শেষৰ ফালে এই ধন বিতৰণ কৰা হ'ব। ইয়াৰ লগতে অহা ৭ আৰু ৮ আগষ্টত ৰাজ্য চৰকাৰৰ নতুন আঁচনি নিযুত মইনাৰ প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, ৰাজ্য চৰকাৰে এইবাৰ ৮০০ খন চাহ বাগিচাৰ পৰা ৮ হাজাৰ গৰাকী নাচনীৰ দ্বাৰা ঝুমুৰ প্ৰদৰ্শন কৰাৰ লক্ষ্য লোৱাৰ কথা উল্লেখ কৰি অহা ২০ নৱেম্বৰত সৰুসজাই ষ্টেডিয়ামত এই ঝুমুৰ নৃত্য পৰিৱেশন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ চলিত বৰ্ষৰ শেষৰপিনে অনুষ্ঠিত কৰিবলৈ জানিবলৈ দি মুখ্যমন্ত্ৰী শৰ্মাই জন্মৰ লগে লগে হাস্পতালতে যাতে নৱজাতকে আধাৰ কাৰ্ড লাভ কৰিব পাৰে তাৰবাবে শীঘ্ৰেই ৰাজ্যৰ ১৩ খন চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত একোটাকৈ আধাৰ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা বুলিও সংবাদমেলত অৱগত কৰে। কেবিনেটত ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহক পৰিচালনাৰ বাবে থকা গ্ৰাম্য পৰিষদ তথা গ্ৰাম্য উন্নয়ন পৰিষদত মুঠ ৪৭৬টা  সচিব পদৰ বাবে অনুমোদন জনোৱা হয়। তদুপৰি ই-শ্ৰম পৰ্টেলত অন্তৰ্ভুক্ত ৬ লাখ প্ৰব্ৰজিত শ্ৰমিকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, কেবিনেটত ৰূপসী বিমান বন্দৰক গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বিমান বন্দৰ হিচাপে নামকৰণৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলিও তেওঁ সাংবাদিকক জানিবলৈ দিয়ে।

০০০০০০

সমগ্ৰ শিক্ষা অভিযানে অহা বৰ্ষৰ ৬ জানুৱাৰীত আৰম্ভ হ'বলগীয়া গুণোৎসৱৰ সংশোধিত সূচী প্ৰকাশ কৰিছে। প্ৰথম পৰ্যায়ৰ গুণোৎসৱ পূৰ্বৰ দৰে ৬ জানুৱাৰীতে আৰম্ভ হ'ব যদিও সংশোধিত সূচী অনুসৰি দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ ১৮ জানুৱাৰীৰ পৰিৱৰ্তে ১৭ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। একেদৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ পূৰ্বৰ ৬ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ৪ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৪ ফেব্ৰুৱাৰীত তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ স্ব-মূল্যায়ন অনুষ্ঠিত হোৱাৰ বিপৰীতে ৫-ৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত বহিঃমূল্যায়নৰ দিন ধাৰ্য কৰা হৈছিল।

০০০০০০

কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই কালি গুৱাহাটীৰ খানাপাৰাত থকা অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ চৌহদত নতুনকৈ নিৰ্মাণ কৰা গাহৰি মাংস সংসাধন প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

এই প্ৰকল্পৰ জৰিয়তে স্বাস্থ্যসন্মত গাহৰি মাংসৰ লগতে বিভিন্ন প্ৰকাৰৰ সংসাধিত খাদ্য সামগ্ৰী প্ৰস্তুত কৰা হ'ব। প্ৰকল্পটো উদ্বোধন কৰি মন্ত্ৰী শ্ৰীবৰাই কয় যে, অসমৰ গ্ৰাম্য অৰ্থনীতি সবলীকৰণত পশুপালন ক্ষেত্ৰখনে যথেষ্ট অৰিহনা যোগাই আহিছে। তদুপৰি ৰাজ্যৰ সবাতোকৈ সম্ভাৱনা পূৰ্ণ ক্ষেত্ৰসমূহৰ অন্যতম হোৱা হেতুকে ইয়াৰ লগত জড়িত হৈ নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলে নিজকে স্ব-নিৰ্ভৰশীল কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ সা-সুবিধা গ্ৰহণ কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে। ইপিনে, অনুষ্ঠানত উপস্থিত থাকি নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই কয় যে, নিগমৰ জৰিয়তে বিগত সময়ছোৱাত প্ৰায় ২১ হাজাৰ যুৱক-যুৱতীক পশুপালন সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদানৰ লগতে ৮ হাজাৰ যুৱক-যুৱতীক স্বাৱলম্বি কৰি গঢ়ি তোলা হৈছে। উদ্বোধনী অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ প্ৰধান সচিব মনীষ ঠাকুৰ, সচিব অভিজিৎ বৰুৱা, নিগমৰ পৰিচালন সঞ্চালক অনিল চন্দ্ৰ দেউৰীকে ধৰি বিভিন্ন জন উপস্থিত থাকে।

০০০০০০

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৫০ অতিক্ৰম কৰিছে। সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে কালি ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত আবদ্ধ ১৮৯ জন লোক আৰু চাৰিটা শৱদেহ উদ্ধাৰ কৰা হয়। সেনাবাহিনীৰ দলে আজি পুৱা আট্টামালা, মুণ্ডাক্কি আৰু চুৰামালাত উদ্ধাৰ আৰু সাহায্য অভিযান পুনৰ আৰম্ভ কৰে। উদ্ধাৰ কাৰ্যত প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰৰ দলৰো সহায় লোৱা হৈছে।

কালি মালাপ্পুৰাম জিলাৰ চালিয়াৰ নদীৰ পৰাও বহুকেইটা মৃতদেহ উদ্ধাৰ কৰা হয়। ভূমিস্খলনত ২০০ ৰো অধিক লোক এতিয়াও সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে যদিও এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিক'ড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই ইতিমধ্যে তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

ইপিনে  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই পৰিস্থিতি নিৰীক্ষণ কৰি থকা বুলি উল্লেখ কৰি উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসনৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আশ্বাস দিছে। নৰেন্দ্ৰ মোদী চৰকাৰ ক্ষমতালৈ অহাৰ পাছত বিপৰ্যয়ৰ সময়ত কোনো লোকৰ প্ৰাণনাশ নোহোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে উদ্ধাৰ কাৰ্যৰ উপৰি আগতীয়াকৈ প্ৰস্তুতিৰ ব্যৱস্থা কৰি অহা বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

লখিমপুৰ জিলা আয়ুক্তৰ নিৰ্দেশ অনুসৰি কালি লখিমপুৰ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াই জিলা আয়ুক্ত কাৰ্যালয়ৰ বিভিন্ন শাখা তথা আনুষংগিক বিভাগৰ আকস্মিক পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত কাৰ্যালয়ত বিষয়া-কৰ্মচাৰীৰ উপস্থিতিকে ধৰি উপস্থিতিৰ পঞ্জীয়ন বহী, কৰ্মসূচী আদি পৰীক্ষা কৰাৰ লগতে কাম-কাজসমূহৰ বুজ লোৱা হয়। কৰ্মচাৰীসকলৰ কৰ্ম সংস্কৃতি তথা জনতালৈ সকলো সুবিধা সুচলভাৱে উপলব্ধ কৰোৱাৰ স্বাৰ্থত চৰকাৰী কাৰ্যালয়ত এনে আকস্মিক পৰিদৰ্শন আগলৈকো অব্যাহত ৰখা হ'ব বুলি লখিমপুৰ জিলা প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০

বৰপেটা বিধানসভা সমষ্টি ভিত্তিত আয়োজন কৰা ১৫ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালাৰ কালি সামৰণি পৰে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত তথা নাট্য সংগঠন পিনাকৰ সহযোগত আয়োজিত

এই কৰ্মশালাৰ কালি বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সামৰণি অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত আয়ুক্ত উপস্থিত থাকে। কৰ্মশালাত অংশগ্ৰহণ কৰা ৩২ টি শিশু তথা কিশোৰ-কিশোৰীক মানপত্ৰ আগবঢ়োৱাৰ লগতে কালি প্ৰশিক্ষাৰ্থীসকলে ৪ খন চুটি নাটো পৰিৱেশন কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অ'ডিছনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য কাৰণবশতঃ কালিৰে পৰা হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈ এই অ'ডিছন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাই গ্ৰেডৰ বাবেও একেলগে অ'ডিছন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অ'ডিছনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০

চলিত পেৰিচ অলিম্পিকত আজিৰে পৰা এথলেটিক্স প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি দিনৰ ১১ বজাত পুৰুষৰ ২০ কিলোমিটাৰ বেগাই খোজকঢ়া প্ৰতিযোগিতাত ভাৰতৰ অৰ্শদ্বীপ সিং, বিকাশ আৰু পৰমজিৎ সিঙে অংশ ল'ব। ইপিনে, দিনৰ ১২ বাজি ৫০ মিনিটত মহিলাৰ ২০ কিলোমিটাৰ খোজকঢ়া প্ৰতিযোগিতাত একমাত্ৰ ভাৰতীয় হিচাপে প্ৰিয়ংকা গোস্বামীয়ে অংশ ল'ব। উল্লেখযোগ্য যে, এই দুয়োবিধ খেলৰ আজিয়েই পদক নিৰ্ণয় হ'ব। আনহাতে, আজি ভাৰতৰ আটাইকেইগৰাকী তাৰকা বেডমিণ্টন খেলুৱৈয়ে নক আউট মেছত অংশ ল'ব। দিনৰ ১২ বজাত হ'ব লগা পুৰুষৰ একক শাখাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত লক্ষ্য সেন আৰু এইচ এছ্ প্ৰণয় মুখামুখি হোৱাৰ বিপৰীতে দুবাৰৰ অলিম্পিক বিজয়ী পি ভি সিন্ধুই মহিলাৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। এই খেলখন নিশা ১০ বজাত অনুষ্ঠিত হ'ব। ইফালে, পুৰুষৰ ডাবলছ্ শাখাত ভাৰতীয় যুটী সাত্বিক আৰু ছিৰাগে আবেলি ৪ বাজি ৩০ মিনিটত কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। মহিলা বক্সিঙৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি দুবাৰৰ বিশ্ব চেম্পিয়ন নিখাট জৰিন অৱতীৰ্ণ হ'ব। এই খেলখন দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, বক্সিঙত কালিৰ দিনটো ভাৰতৰ বাবে যথেষ্ট আশাপ্ৰদ আছিল। মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত খেলা অসম কন্যা লাভলীনা বৰগোহাঁইয়ে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে যোৱানিশা অনুষ্ঠিত হোৱা পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ নিশান্ত দেৱে ইকুৱেডৰৰ জ'ছ্ গেব্ৰিয়েলক ৩-২ৰ ব্যৱধানত পৰাস্ত কৰি অন্তিম আঠত স্থান নিশ্চিত কৰে। ইফালে, শ্বুটিঙত ইতিহাস গঢ়ি পুৰুষ ৫০ মিটাৰ ৰাইফল থ্ৰী পজিছনৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰা স্বপ্নীল কুশ্বালে আজি দিনৰ ১ বজাত পদক জয়ৰ লক্ষ্যৰে খেলিব। আনহাতে, দিনৰ ডেৰ বজাত অপৰাজেয় ভাৰতীয় পুৰুষ হকী দলে বেলজিয়ামৰ বিৰুদ্ধে গ্ৰুপ মেচত অংশ ল'ব। উল্লেখযোগ্য যে, ভাৰতে ইতিমধ্যে হকীৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত কৰিছে। ইপিনে, টেবুল টেনিছৰ একক শাখাত ভাৰতৰ দুই মহিলা পেডলাৰ মণিকা বাট্ৰা আৰু শ্ৰীজা আকুলা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ বিদায় লৈছে। একেদৰে পুৰুষ আৰ্চাৰীৰ একক শাখাৰ পৰা তৰুণ দ্বীপ

ৰায়ে বিদায় লোৱাৰ বিপৰীতে দিপিকা কুমাৰীয়ে মহিলাৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। আজি দিনৰ আঢ়ৈ বজাত আৰ্চাৰীৰ পুৰুষৰ একক শাখাত প্ৰবীন ৰমেশ যাদৱে প্ৰাৰম্ভিক ৰাউণ্ড খেলিব।

০০০০০০

পেৰিছ অলিম্পিকত লাভলীনাৰ জয়যাত্ৰা, ৱায়নাড়ৰ ভূমিস্খলনৰ শেহতীয়া তথ্য, মধ্য-প্ৰাচ্যৰ ৰাজনৈতিক সবিশেষকে ধৰি বিভিন্ন বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। লাভলীনা বৰগোহাঁইয়ে অলিম্পিক বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰা বাতৰিটোক দৈনিক অসম, অসমীয়া খবৰ, আমাৰ অসম, দৈনিক অগ্ৰদূত, দা ছেণ্টিনেল, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউনকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মধ্য-প্ৰাচ্যৰ ৰাজনৈতিক অস্থিৰতাৰ সবিশেষ উল্লেখেৰে **যুযুধান মধ্য-প্ৰাচ্য, ইৰাণ-তুৰস্ক-লেবাননত প্ৰতিশোধৰ অংগীকাৰ** শিৰোনামেৰে এটা বাতৰিক দৈনিক জনমভূমি কাকতত মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। এই বাতৰিটোক দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউনকে ধৰি কেইবাখনো কাকতত প্ৰথম পৃষ্ঠাত স্থান দিয়া হৈছে।

**লোকসভাৰ মজিয়াত উত্থাপিত তথ্যৰ প্ৰসংগৰে অভাৱনীয়ভাৱে বৃদ্ধি স্কুল এৰা শিক্ষাৰ্থীৰ সংখ্যা** শীৰ্ষক এটা বাতৰি অসমীয়া খবৰ কাকতত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে।

দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকৰ সবিশেষ সামৰি ভিন ভিন শিৰোনামেৰে বাতৰি কাকতসমূহত বাতৰি প্ৰকাশ কৰা হৈছে। অসমীয়া প্ৰতিদিন কাকতত **ৰাজ্যত নতুনকৈ চিনাক্ত ২০ ভুৱা চিকিৎসক** শীৰ্ষক এটা বাতৰিক শীৰ্ষ বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

অসম লোকসেৱা আয়োগৰ কেলেংকাৰিক লৈ মুখ্যমন্ত্ৰী কঠোৰ হৈ পৰা বুলি উল্লেখ কৰি **আদালতে কাৰাদণ্ড বিহা কৃষি বিষয়াক বৰ্খাস্ত কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতত প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

কেৰালাৰ ৱায়নাড়ৰ প্ৰাকৃতিক দুৰ্যোগৰ সবিশেষ সম্পৰ্কীয় এটা বাতৰিক দা টাইমছ অৱ ইণ্ডিয়া কাকতত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – চত্তিশগড়ৰ ৰাজ্যপাল হিচাপে ৰমেন ডেকাৰ শপতগ্ৰহণ, প্ৰীতি ছুডনক ইউ পি এছ চিৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি, কাজিৰঙাৰ ৪ বনকৰ্মীক সাহসিকতাৰ বঁটা প্ৰদান, ২২ আগষ্টৰ পৰা অসম বিধানসভাৰ ৫ দিনীয়া অধিবেশন, ১৭ জানুৱাৰীৰ পৰা দ্বিতীয় আৰু ৪ ফেব্ৰুৱাৰীৰ পৰা তৃতীয় পৰ্যায়ৰ গুণোৎসৱ আদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত